**অধিসূচনা**
**ভাৰতীয় ৰিজাৰ্ভ বেংক**

আৰ বি আই/২০০৭-০৮/৩০৮
ডি বি অ ডি.নং.এল ই জি.বি চি.৮০/০৯.০৭.০০৫/২০০৭-০৮

২ মে, ২০০৮

প্ৰতি,

সকলো অনুসূচীত বাণিজ্যিক বেংক
(আঞ্চলিক গ্ৰাম্য বেংকসমূহ ব্যতিৰেকে)

মহাশয়,

**সন্ধানহীন ব্যক্তিৰ জমাধনৰ ক্ষেত্ৰত উত্থাপিত দাবীৰ নিষ্পত্তি**

সদ্যহতে সন্ধানহীন ব্যক্তিৰ জমাধনৰ বিধিসন্মত উত্তৰাধিকাৰী অথবা মনোনীত ব্যক্তিয়ে দাখিল কৰা দাবী নিষ্পত্তিৰ ক্ষেত্ৰত বেংকসমূহে গ্ৰহণ কৰিবলগীয়া কাৰ্য্যব্যৱস্থা সম্পৰ্কীয় প্ৰশ্ন উত্থাপিত হৈছে৷

২. ১৮৭২ চনৰ ভাৰতীয় সাক্ষ্য আইন (Indian Evidence Act, 1872)ৰ ১০৭/১০৮ ধাৰাত উল্লেখিত চৰ্ত্তৰ আধাৰত সন্ধানহীন ব্যক্তিৰ জমাধনৰ ক্ষেত্ৰত উত্থাপিত দাবী নিষ্পত্তিৰ ব্যৱস্থা কৰা হয়৷ এই আইনৰ ১০৭ ধাৰাত জীৱিত আৰু ১০৮ ধাৰাত মৃত ব্যক্তিৰ উমান পোৱা সম্পৰ্কে উল্লেখ আছে৷ ভাৰতীয় সাক্ষ্য আইনৰ ১০৮ ধাৰাৰ অধীনত এজন ব্যক্তি সন্ধানহীন হোৱা বুলি উমান পোৱা তাৰিখৰ পৰা সাত বছৰৰ পিছতহে ব্যক্তিগৰাকী মৃত বুলি দাবী উত্থাপন কৰিব পৰা যায়৷ এই ক্ষেত্ৰত মনোনীত ব্যক্তি অথবা বিধিসন্মত উত্তৰাধিকাৰীয়ে ভাৰতীয় সাক্ষ্য আইনৰ ১০৭/১০৮ ধাৰাৰ অধীনত উপযুক্ত আদালতত সংশ্লিষ্ট ব্যক্তি গৰাকীৰ মৃত্যু হোৱা বুলি প্ৰকাশ্যে আবেদন কৰিব লাগে আৰু এই আবেদনৰ ভিত্তিত আদালতে সন্ধানহীন ব্যক্তিগৰাকীৰ মৃত্যু হোৱা অনুমেয় সিদ্ধান্ত প্ৰকাশ কৰিলে, এই সিদ্ধান্তৰ ভিত্তিত বেংকে সান্ধানহীন ব্যক্তিৰ জমাধনৰ ক্ষেত্ৰত উত্থাপিত দাবী নিষ্পত্তি কৰিব পাৰে৷

৩. সন্ধানহীন ব্যক্তিৰ জমাধনৰ ক্ষেত্ৰত উত্থাপিত দাবী নিষ্পত্তিৰ বাবে আইনৰ যুক্তিৰ বিবেচনাৰ লগতে প্ৰকৃত ঘটনা আৰু সামগ্ৰিক পৰিস্থিতিৰ বিশ্লেষণৰ জৰিয়তে এক সিদ্ধান্তত উপনীত হ'ব পৰাকৈ এই সম্পৰ্কীয় নীতি উদ্ভাৱনৰ বাবে বেংকসমূহক পৰামৰ্শ দিয়া হৈছে। তদুপৰি, সৰ্বসাধাৰণৰ অনাহক হাৰাশাস্তি দূৰ কৰাৰ স্বাৰ্থত বেংক সমূহে স্বকীয় হৰণাশংকা পৰিচালনা ব্যৱস্থাৰ লগত সংগতি ৰাখি সন্ধানহীন ব্যক্তিৰ দাবী নিষ্পত্তিৰ দিশত বিশেষ তথ্যপাতি নোহোৱাকৈয়ে নিৰ্দিষ্ট পৰিমাণৰ ধন আদায় দিয়াৰ সীমা স্থিৰ কৰিবলৈও বেংক সমূহক পৰামৰ্শ প্ৰদান কৰা হৈছে। এই ক্ষেত্ৰত অৱশ্যে দাবী উত্থাপন কৰা মনোনীত ব্যক্তি/বিধিগত উত্তৰাধিকাৰীয়ে (১) প্ৰাথমিক তথ্য প্ৰতিবেদন (FIR)ৰ লগতে আৰক্ষী কৰ্তৃপক্ষই প্ৰকাশ কৰা সন্ধানহীনতাৰ প্ৰতিবেদন আৰু (২) প্ৰতিভূতি পত্ৰ (letter of indemnity) দাখিল কৰিব লাগিব।

আপোনাৰ বিশ্বাসী

(প্ৰশান্ত চৰণ)
ভাৰপ্ৰাপ্ত মুখ্য মহা প্ৰৱন্ধক